# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-04-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

***- - - - - - - - - - - - - -***

০০০০

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ তাৰকা প্ৰচাৰক তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত আজি মাজুলীত প্ৰচাৰ অভিযানত অংশ লয়। শ্ৰী সোণোৱালে গ্ৰাম্য অৰ্থনীতিৰ ভেটি সৱলীকৰণৰ লক্ষ্যৰে পঞ্চায়ত নিৰ্বাচনত সঠিক সিদ্ধান্ত ল'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে জিলা বিজেপিৰ কাৰ্যালয়ত দলীয় কৰ্মীৰ সৈতে এখন বিশেষ সাংগঠনিক সভাত মিলিত হয়।

শ্ৰী সোণোৱালে আজি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰত আন এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি মিত্ৰজোঁটৰ দ্বৈত ইঞ্জিন চৰকাৰৰ কল্যাণকামী পদক্ষেপসমূহে সকলো স্তৰৰ জনসাধাৰণৰ উপকৃত কৰি গ্ৰামাঞ্চলত নতুন দিগন্তৰ সূচনা কৰিছে। আৰু আত্মনিৰ্ভৰশীলতাৰ পথ প্ৰশস্ত কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰী সোণোৱালে আজি ডিব্ৰুগড়ৰ গজপুৰিয়াতো নিৰ্বাচনী সভাত ভাগ লয়।

জাগীৰোড বিধানসভা সমষ্টিৰ ২৯ খন পঞ্চায়তৰ বাবে অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসন সাজু হৈছে। সমষ্টিটোৰ বিধায়ক তথা মন্ত্ৰী পীযুষ হাজৰিকাই আজি জাগীৰোডত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে।

ইপিনে, পঞ্চায়ত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে। বজালী জিলা আয়ুক্ত মৃদুল কুমাৰ দাসৰ তত্বাৱধানত নিৰ্বাচনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। জিলাখনত নিয়োজিত নিৰ্বাচনী পৰ্যৱেক্ষকে ইতিমধ্যে ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থীসকলৰ সৈতে আলোচনা কৰাৰ উপৰি ভোট কেন্দ্ৰসমূহ পৰিদৰ্শন কৰিছে। জিলাখনত ২৯৫ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে ২৭ গৰাকী খণ্ড বিষয়া আৰু ৫ গৰাকী মাণ্ডলিক বিষয়া নিয়োগ কৰা হৈছে। কামৰূপ জিলাৰ ১৮ খন জিলা পৰিষদ, ৯৭ টা আঞ্চলিক পঞ্চায়ত আৰু ৯১০ টা পঞ্চায়ত ৱাৰ্ড সদস্যৰ বাবে এহেজাৰ ৫৯৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে ৮০ টা ভোটকেন্দ্ৰ সম্পূৰ্ণৰূপে মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব। জিলাখনত নিৰ্বাচন পৰিচালনাৰ বাবে প্ৰায় ছহেজাৰ প্ৰিজাইডিং আৰু পোলিং বিষয়াক প্ৰশিক্ষণ দিয়া হৈছে। অসম-মেঘালয় সীমান্তত থক ভোট কেন্দ্ৰকে ধৰি আন আন স্পৰ্শকাতৰ ভোটকেন্দ্ৰসমূহত বিশেষ সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে।

জিলাখনত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই এইদৰে কয়—

(বাইট ঃ দেৱকুমাৰ মিশ্ৰ)

হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে নিয়মীয়াকৈ ভোটকেন্দ্ৰসমূহ পৰিদৰ্শন কৰি নিৰ্বাচনৰ বাবে যাৱতীয় ব্যৱস্থা নিশ্চিত কৰিছে। জিলাখনত স্থাপন কৰা ৭৭৪টা ভোট কেন্দ্ৰৰ ভিতৰত ১০টা মডেল ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব বুলি জিলাখনৰ জনসংযোগ বিষয়াই প্ৰকাশ কৰিছে।

০০০০

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই কাইলৈ আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ আয়ুক্ত সাৰংগপানী শৰ্মাই আজি ডংকামোকাম, খেৰনি আৰু হামৰেনৰ বিদ্যুৎ উপ-সংমণ্ডল বিষয়া কেইগৰাকীৰ সৈতে জিলাখনত সঘনে বিদ্যুৎ যোগাযোগ ব্যাহত হোৱাৰ প্ৰতিকাৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে এই ক্ষেত্ৰত ল'ব পৰা ব্যৱস্থা সন্দৰ্ভত বিষয়া কেইগৰাকীৰ সৈতে আলোচনা কৰে। বৈঠকত বিদ্যুৎ বিভাগৰ কৰ্মচাৰীসকলক নিয়মীয়াকৈ বিদ্যুৎ সেৱা ব্যাহত হোৱা অঞ্চলসমূহ পৰিদৰ্শন কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে।

০০০০

ডিব্ৰুগড় জিলাৰ মৰাণ চহৰত পুৱা সংঘটিত অগ্নিকাণ্ডত তিনিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হোৱাৰ লগতে দুজন লোক আহত হয়। অগ্নিকাণ্ডত এখন হোটেল সম্পূৰ্ণৰূপে জুইত জাহ যায়। অগ্নি নিৰ্বাপক বাহিনীৰ ৮ খন বাহনৰ কেইবাঘণ্টা জোৱা প্ৰচেষ্টাৰ অন্তত জুই নুমুৱাবলৈ সক্ষম হয়।

০০০০

আজি বিশ্ব মেলেৰীয়া দিৱস। দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ স্বাস্থ্য বিভাগৰ উদ্যোগত ঠায়ে ঠায়ে মেলেৰীয়া ৰোগৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ধেমাজি জিলাত জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু জিলা বাহকজনিত ৰোগ নিয়ন্ত্ৰণ কোষৰ সহযোগত বিস্তৃত কাৰ্যসূচীৰে আজি এই দিৱস পালন কৰা হয়। ধেমাজী লক্ষীপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা সজাগতা সভাত বাহকজনিত ৰোগৰ জিলা নডেল বিষয়া ডাঃ যোগেন দাসে এই ৰোগৰ কাৰণ আৰু লবলগীয়া সাৱধানতাৰ বিষয়ে বিতংকৈ অৱগত কৰে। এই দিৱসৰ প্ৰাসংগিকতা আৰু ৰোগৰ সাৱধানতাৰ বিষয়ে জিলা প্ৰচাৰ মাধ্যম বিশেষজ্ঞ ড০ অচ্যুত গগৈয়ে আলোকপাত কৰে। জিলাখনৰ ৫ টা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ বিভিন্ন অঞ্চলত মেলেৰীয়া দিৱসৰ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়।

এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে-**আমি মেলেৰীয়া নিৰ্মূল কৰিব পাৰো-পুনৰ সঠিক পৰিকল্পনা আৰু সক্ৰিয়তাৰে মেলেৰীয়া নিৰ্মূলৰ হকে যুঁজ দিও আঁহক।** ০০০০

০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ বিন্ধাকটা অঞ্চলত ডিব্ৰু নৈৰ বাঢ়নি পানীত পৰি এজন যুৱক সন্ধানহীন হৈ থকাৰ বাতৰি পোৱা গৈছে। বিন্ধাকটা গেৰেকী নেপালী গাঁৱৰ শংকৰ মুৰা নামৰ যুৱকজনৰ সন্ধানত এছ ডি আৰ এফে অভিযান চলাই আছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ বিন্ধাকটা অঞ্চলত ডিব্ৰু নৈৰ বাঢ়নি পানীত পৰি এজন যুৱক সন্ধানহীন হৈ থকাৰ বাতৰি পোৱা গৈছে। বিন্ধাকটা গেৰেকী নেপালী গাঁৱৰ শংকৰ মুৰা নামৰ যুৱকজনৰ সন্ধানত এছ্ ডি আৰ এফে অভিযান চলাই আছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত